**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-08-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীত অসম বন সুৰক্ষা বাহিনীৰ কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। তেওঁ এই সমাৰোহত ৯৮১ গৰাকী বন সুৰক্ষা বাহিনীৰ কনিষ্টবলক দীক্ষান্ত প্ৰমাণ-পত্ৰ প্ৰদান কৰে। এই অনুষ্ঠানত পৰিবেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বন আৰু বন্যপ্ৰাণী সুৰক্ষাৰ দিশত এক দৃঢ় পদক্ষেপ গ্ৰহণৰ অংশৰূপে প্ৰথম বাৰৰ বাবে এই দীক্ষান্ত সমাৰোহৰ আয়োজন কৰা হৈছিল। বন সুৰক্ষা বাহিনীত জোৱানৰ নিযুক্তিৰ সংখ্যা ১২০ শতাংশলৈ বৃদ্ধি কৰাৰ ফলত জোৱানৰ সংখ্যা ৭৮৪ৰ পৰা এহেজাৰ ৭২৪ গৰাকী হৈছে। ইয়াৰে ৯০ গৰাকী মহিলা। আনহাতে, তৃতীয় অসম বন সুৰক্ষা বাহিনী বেটেলিয়ন সম্পূৰ্ণ ৰূপে নৱনিযুক্ত জোৱানেৰে গঠন কৰা হৈছে।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি কলিয়াবৰৰ হাতীমূৰাৰ ভগ্ন মথাউৰি আৰু অস্থায়ী সুৰক্ষা বান্ধৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। মথাউৰিটো পৰিদৰ্শন কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কলিয়াবৰত যাতে ভৱিষ্যতে পুনৰ বানৰ সৃষ্টি নহয়, তাৰ সম্পূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। তেওঁ অতি কম সময়ৰ ভিতৰতে মথাউৰি ভঙা স্থানত অস্থায়ী বান্ধ নিৰ্মাণ সম্পূৰ্ণ কৰি তোলাৰ বাবে জলসম্পদ বিভাগক ধন্যবাদ জ্ঞাপন কৰে। তদুপৰি মথাউৰি ভঙা স্থানত স্থায়ী বান্ধ নিৰ্মাণ সন্দৰ্ভত বিশেষজ্ঞৰ মতামত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইফালে, কলং বোঁৱতীকৰণ প্ৰকল্পৰ বাবে অতিৰিক্ত ২-৩ বছৰ সময় লাগিব বুলি তেওঁ প্ৰকাশ কৰে। এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে পৰিবহণ মন্ত্ৰী কেশৱ মহন্ত আৰু নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত আছিল।

ooooooo

সমগ্ৰ দেশতে আজি দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি আয়োজিত এটা অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে অংশগ্ৰহণ কৰে।

অসমতো হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম সঞ্চালকালয়ৰ উদ্যোগত আজি দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হয়। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এই দিৱসত ৰাজ্য চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু জয়ন্ত মল্লবৰুৱাৰ লগতে পদ্মশ্ৰী তথা অসম গৌৰৱ বঁটা প্ৰাপক বয়ন শিল্পী হেমপ্ৰভা চুতীয়াকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ উদ্যোগত ডিফুৰ ফাৰ্মাৰ গ্ৰ'থ চেণ্টাৰত এই দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে পৰিষদীয় ২৬ টা সমষ্টিত একোটাকৈ বোৱা-কটা কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ জিলাখনৰ শিপিনীসকলৰ কল্যাণৰ বাবে পৰিষদে গ্ৰহণ কৰা আঁচনিৰ বিষয়েও প্ৰকাশ কৰে।

বিটিআৰ প্ৰশাসনৰ উদ্যোগত চিৰাং জিলাৰ টুক্ৰাঝাৰত দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হয়। এই অনুষ্ঠানত বিটিআৰৰ পাঁচখন জিলাৰ কেইবা শতাধিক শিপিনীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিটিআৰৰ হস্ততাঁত আৰু বস্ত্ৰ-শিল্প বিভাগৰ কাৰ্যবাহী সদস্য ধনেশ্বৰ বসুমতাৰীয়ে শিপিনীসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি সন্দৰ্ভত বক্তব্য প্ৰদান কৰে।

ooooooo

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি তিনিচুকীয়া জিলাত গছপুলি ৰোপণ, জিঅ' টেগিং, আপলোড আদি অব্যাহত আছে। জিলাখনত আজি কেইবাটাও আত্ম-সহায়ক গোটৰ লগতে বিভিন্ন চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়া-কৰ্মচাৰীসকলে গছপুলি ৰোপণ কৰে। যোৰহাট জিলাতো জিলা আৰক্ষী অধীক্ষকৰ উদ্যোগত আৰক্ষী ছাউনীত গছপুলি ৰোপণ কৰি অমৃত বৃক্ষ অভিযান আৰম্ভ কৰে।

০০০০০০০

গুৱাহাটী মহানগৰীত আজি বিয়লি ভাগত হোৱা প্ৰবল বৰষুণৰ ফলত ভালেমান অঞ্চল পুনৰ কৃত্ৰিম বানৰ কবলত পৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহানগৰীৰ কৃত্ৰিম বানৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰবাসীক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰয়োজনীয় কাম নহ'লে মহানগৰবাসীক ঘৰৰ পৰা বাহিৰ নহ'বলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে, গুৱাহাটী মহানগৰীৰ দীৰ্ঘদিনীয়া এই কৃত্ৰিম বানৰ সমস্যা ৰোধ কৰিবলৈ হ'লে মহানগৰীখনৰ নলা-নৰ্দমাৰ ব্যৱস্থা পূৰ্বতকৈ সম্প্ৰসাৰণৰ প্ৰয়োজন হ'ব। এনে ক্ষেত্ৰত বহু অঞ্চলত উচ্ছেদৰো প্ৰয়োজন হ'ব বুলি তেওঁ কয়। তেওঁ লগতে মেঘালয়ৰ পৰা তীব্ৰবেগে নামি অহা ধলে মহানগৰীখনত বানৰ সমস্যা ব্যাপক কৰি তুলিছে বুলি উল্লেখ কৰে। মহানগৰীৰ অতিৰিক্ত পানীভাগ দীপৰ বিললৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ইফালে গুৱাহাটীৰ মহানগৰী আৰক্ষী বিভাগে কৃত্ৰিম বানৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সতৰ্কতা জাৰি কৰিছে। মহানগৰৰ জি এছ ৰোডৰ ৰুক্মিণীগাঁও আৰু পিবকো পইণ্ট পৰিহাৰ কৰি চলিবলৈ জনসাধাৰণৰ প্ৰতি বিশেষ নিৰ্দেশ জাৰি কৰিছে। ইয়াৰ উপৰি জনসাধাৰণৰ সুবিধাৰ বাবে তিনিটা হেল্পলাইন নম্বৰ ০৩৬১-২৭৩০৯৮৯, ৬০২৬১-৭৬৭৫৫ আৰু ৬৯০১২-৬৯০০৬ মুকলি কৰিছে। বিয়লিৰ ভাগত হোৱা এজাক বৰষুণৰ ফলত মহানগৰৰ জুৰিপাৰ, হাতীগাঁও, ছাৰ্ভে, ৰেয়াৰলেছ আদি অঞ্চল পুনৰ কৃত্ৰিম বানৰ কবলত পৰিছে। ইয়াৰ উপৰিও মেঘালয়ৰ পৰা নামি অহা পানীৰ ধলে উজনিৰ দিশলৈ যোৱা খানাপাৰা অঞ্চল প্লাৱিত কৰিছে। যোৱাবাটটো কৃত্ৰিম বানৰ ফলত উজনি অসম তথা মেঘালয়লৈ যোৱা যান-বাহনৰ যাতায়াত ব্যাহত হৈছে।

ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা চাৰিটা দিনত প্ৰবল বৰষুণৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**